**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-01-2025 **Time :** 1340 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত মণ্ডপমত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ১৫০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত মিছন মৌচমৰ শুভাৰম্ভ কৰে।

২। দেশৰ বিভিন্ন প্ৰান্তত আজি খেতি চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক মাঘ বিহু, মকৰ সংক্ৰান্তি, পংগল আৰু উত্তাৰায়ণ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। ভাৰতৰ বিশ্বব্যাপী গুৰুত্ব বৃদ্ধি পোৱাৰ লগতে বিশ্বৰ বহুধা বিভক্ত শক্তিসমূহক সঠিক দিশ নিৰ্দেশ কৰাৰ সামৰ্থ্য আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলছৰ বিধবংসী বনজুইৰ বাবে ৯২ হাজাৰৰো অধিক লোকক স্থানান্তৰিত কৰাৰ নিৰ্দেশ দিয়া হৈছে।

**আৰু**

৫। ভাৰতৰ ধ্ৰুৱ কপিলা আৰু টানিশা ক্ৰাষ্ট'ৰ যুটীয়ে আজি ইণ্ডিয়া অপেন ছুপাৰ ছেভেন ফিফ্‌টি বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ১৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত মিছন মৌচমৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীমোদীয়ে কয় যে ভাৰতৰ জলবায়ুক ভৱিষ্যতৰ বাবে সাজু কৰি তোলাৰ উদ্দেশ্যে এই অভিযান আৰম্ভ কৰা হৈছে। তেওঁ লগতে কয় যে এই অভিযানে বহনক্ষম ভৱিষ্যতৰ দিশত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক চিহ্নিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ১৫০ বছৰীয়া যাত্ৰাৰ প্ৰশংসা কৰি কয় যে এয়া কেৱল বিভাগটোৰ যাত্ৰাই নহয় বৰঞ্চ এয়া হৈছে দেশৰ অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ গৌৰৱময় যাত্ৰা। এই দীঘলীয়া সময়ছোৱাত ভাৰতীয় বতৰবিজ্ঞান বিভাগে কোটি কোটি লোকলৈ সেৱা আগবঢ়োৱাৰ লগতে দেশৰ বৈজ্ঞানিক যাত্ৰাৰ চিহ্ন হিচাপে পৰিচিত হ'ল বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভাগটোৰ ডেৰশ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এটা স্মাৰক মুদ্ৰা মুকলি কৰাৰ লগতে আই এম ডি ভিজন ২০৪৭ শীৰ্ষক দস্তাৱেজ মুকলি কৰে। এই দস্তাৱেজত বতৰৰ পূৰ্বাভাষ, বতৰ ব্যৱস্থাপনা আৰু জলবায়ু পৰিৱৰ্তন প্ৰশমনৰ পৰিকল্পনা অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে অত্যাধুনিক বতৰ নিৰীক্ষণ প্ৰযুক্তি আৰু ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে মিছন মৌচম আৰম্ভ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে উচ্চ প্ৰাৱল্যৰ বায়ু মণ্ডলীয় পৰ্যবেক্ষণ, পৰৱৰ্তী পৰ্যায়ত ৰাডাৰ, উপগ্ৰহ আৰু উচ্চ ক্ষমতা সম্পন্ন কম্পিউটাৰৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি খেতি চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি উদযাপন কৰা হৈছে। মকৰ সংক্ৰান্তিয়ে শীতৰ অন্ত পৰা আৰু দীঘলীয়া দিনৰ আৰম্ভণিৰ সূচনা কৰে। এই উৎসৱক দেশৰ বিভিন্ন অংশত বিভিন্ন নামেৰে জনা যায়। এই উৎসৱ অসমত ভোগালী বিহু, তামিলনাডু পংগল, গুজৰাটত উত্তৰায়ণ আৰু পশ্চিমবংগত পৌষ সংক্ৰান্তি হিচাপে উদযাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক মাঘ বিহু, মকৰ সংক্ৰান্তি, পংগল আৰু উত্তাৰায়ণ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। এই বাৰ্তাত শ্ৰীমোদীয়ে এই উৎসৱসমূহে জনসাধাৰণৰ জীৱনলৈ সুখ-সমৃদ্ধি আৰু সফলতা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে এই উৎসৱসমূহে সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ বান্ধোন শক্তিশালী কৰে।

অসমতো আজি বাপতি সাহোন ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। কালি উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভোগালী বিহু উপলক্ষে আজি জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। মেজিৰ উত্তাপে সমাজৰ সকলো অশুভ শক্তি নাশ কৰিব বুলি তেওঁ কামনা কৰে।

০০০০০০০০০

ভাৰতৰ বিশ্বব্যাপী গুৰুত্ব বৃদ্ধি পোৱাৰ লগতে প্ৰত্যাহ্বানমূলক সময়ত অৰ্থপূৰ্ণ সহযোগিতা প্ৰদান আৰু  বিশ্বৰ মেৰুকৃত শক্তিসমূহক সঠিক দিশ নিৰ্দেশ কৰাৰ অনন্য ক্ষমতা আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। স্পেইনত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক উদ্দেশ্যি দিয়া ভাষণত তেওঁ আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাৰতৰ "সবকা সাথ, সবকা বিকাশ, আৰু সবকা বিশ্বাস"ৰ দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে সাম্প্ৰতিক সময়ত অতি কম সংখ্যক ৰাষ্ট্ৰই ৰাছিয়া আৰু ইউক্ৰেইন উভয়ৰে সৈতে, নাইবা ইজৰাইল আৰু ইৰান এই দুয়ো দেশৰ সৈতে আলোচনালৈ আহিব পৰা অৱস্থাত  আছে। প্ৰধানমন্ত্ৰী মোদীয়ে দুয়োটা কাম কৰিবলৈ সমৰ্থ বুলি মন্ত্ৰীগৰাকীয়ে কয়। একেদৰে অতি কম সংখ্যক দেশেই QUAD আৰু BRICS উভয় ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য হব পাৰে আৰু এয়া অনন্য সাফল্য বুলি তেওঁ উল্লেখ কৰে।তেওঁ কয় যে সাম্প্ৰতিক বিশ্ব বহুধাবিভক্ত হোৱা সত্ত্বেও ভাৰতে সৱকা সাথ,সৱকা বিকাশ, আৰু সবকা বিশ্বাসৰ বাণী বিশ্বত বিলাবলৈ সমৰ্থ হৈছে ।

ড° জয়শংকৰে ভাৰত-স্পেইনৰ সম্পৰ্কক লৈ আশা প্ৰকাশ কৰি দুয়োখন ৰাষ্ট্ৰৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নীত হৈছে বুলি মন্তব্য কৰে।

0000000

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহা কুম্ভত আজি মকৰ সংক্ৰান্তি উপলক্ষে ত্ৰিবেণী সংগমত আয়োজিত অমৃত স্নান কাৰ্যসূচীত দিনৰ ১২ বজালৈকে ১ কোটি ৬০ লাখৰো অধিক লোকে স্নান কৰে। এই পৱিত্ৰ স্নান কাৰ্যসূচী বৰ্তমানেও নিয়াৰিকৈ চলি আছে। লক্ষাধিক ভক্তই এই স্নান সম্পন্ন কৰাৰ বাবে সেই স্থানত উপস্থিত হৈছে। স্নানৰ পাছত ভক্তসকলে ঘাটত পূজা অৰ্চনা আগবঢ়ায়। তেওঁলোকে লগতে পুৱাৰ ভাগত গংগা আৰতিটো অংশগ্ৰহণ কৰে। উৎসৱৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি তেওঁলোকে দুৰ্বল শ্ৰেণীৰ লোকসকলক বিভিন্ন সামগ্ৰী দান কৰে।

000000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলছৰ বিধবংসী বনজুইৰ বাবে ৯২ হাজাৰৰো অধিক লোকক স্থানান্তৰিত কৰাৰ নিৰ্দেশ দিয়াৰ লগতে ৮৯ হাজাৰ লোকক এই ক্ষেত্ৰত সতৰ্ক হৈ থাকিবলৈ কৰ্তৃপক্ষই নিৰ্দেশ দিছে। লছ এঞ্জেলছৰ বিভিন্ন অংশলৈ বিয়পি পৰা এই বনজুইত এতিয়ালৈকে ২৫ জন লোকৰ মৃত্যু হৈছে আৰু ১২ জনৰো অধিক লোক সন্ধানহীন হৈ আছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে খৰাং বতৰ আৰু প্ৰবল বতাহৰ বাবে যোৱা ৭ জানুৱাৰীত সূত্ৰপাত হোৱা বনজুই লছ এঞ্জেলছ কাউণ্টিৰ ৪০ হাজাৰ ৫০০ একৰ ভূমিলৈ বিয়পি পৰাৰ ফলত ১২ হাজাৰৰো অধিক আন্তঃগাঁথনি জুইত জাহ গৈছে। লছ এঞ্জেলছৰ আড্যৰন্ত এলেকা পেচিফক পেলিছেডছৰ সৰ্ববৃহৎ বনজুই এতিয়ালৈকে নিৰ্বাপিত কৰিব পৰা হোৱা নাই। ইফালে দক্ষিণ কেলিফৰ্ণিয়াৰ বিভিন্ন অংশত বিদ্যুত সেৱা বন্ধ কৰি দিয়াৰ ফলত ৮০ হাজাৰৰো অধিক লোক প্ৰভাৱিত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় বতৰ সেৱা বিভাগে ৰেড ফ্লেগ সতৰ্কতা জাৰি কৰিছে। কেলিফৰ্ণিয়াৰ গৱৰ্ণৰ গেভিন নিউচমে এই বনজুই দেশখনৰ ইতিহাসৰ আটাইতকৈ ভয়াবহ প্ৰাকৃতিক দুৰ্যোগ হ'ব পাৰে বুলি সম্ভাৱনা ব্যক্ত কৰাৰ লগতে মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ আশংকা প্ৰকাশ কৰিছে।

000000000

মকৰ সংক্ৰান্তি উপলক্ষে আজি জম্মু-কাশ্মীৰৰ ৰিয়াছী জিলাৰ কাট্ৰা চহৰৰ ত্ৰিকূট পাহাৰত থকা বৈষ্ণো দেৱী মন্দিৰৰ প্ৰাকৃতিক গুহা তীৰ্থযাত্ৰীৰ বাবে মুকলি কৰি দিয়া হ'ব। আজি আৰতিৰ পাছতে গুহাটো ভক্তসকলৰ বাবে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে। যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি গুহাটো এমাহ খোলা ৰখাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে প্ৰতি বছৰে মকৰ সংক্ৰান্তিৰ দিনা এই পৱিত্ৰ গুহা তীৰ্থ যাত্ৰীৰ বাবে মুকলি কৰা হয়। যাত্ৰীসকলে এই গুহাটো দৰ্শনৰ বাবে আগ্ৰহ প্ৰকাশ কৰে যদিও বছৰত এবাৰহে এই গুহাটো মুকলি কৰা হয়।

000000000

ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন শ্বনমুগাৰত্নম আজি পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে মন্ত্ৰী, সংসদ সদস্য আৰু বিষয়াকে ধৰি এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলেও এই ভ্ৰমণসূচীত অংশ ল'ব। ছিংগাপুৰৰ ৰাষ্ট্ৰপতিৰূপে এয়া হৈছে শ্ৰীশ্বনমুগাৰত্নমৰ প্ৰথমটো ভাৰত ভ্ৰমণ। এই ভ্ৰমণকালত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ লগতে অহা ১৭ আৰু ১৮ জানুৱাৰীত ওড়িশা ভ্ৰমণ কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ সন্মানাৰ্থে এখন ভোজ মেলৰো আয়োজন কৰিছে। উল্লেখযোগ্য যে বিশ্বাস আৰু পাৰস্পৰিক সন্মানৰ ওপৰত ভিত্তি কৰি ভাৰত আৰু ছিংগাপুৰৰ ব্যাপক সহযোগিতা আছে। ৰাষ্ট্ৰপতি থৰমনৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণৰ জৰিয়তে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ ৬০ বছৰীয়া কূটনৈতিক সম্পৰ্কৰ জয়ন্তীও উদযাপন কৰা হ'ব।

০০০০০০০০০

ভাৰতৰ ধ্ৰুৱ কপিলা আৰু টানিশা ক্ৰাষ্ট'ৰ যুটীয়ে আজি ইণ্ডিয়া অপেন ছুপাৰ ছেভেন ফিফ্‌টি বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাটাৰ ফাইনেলত প্ৰৱেশ কৰিছে। যুটীটোৱে মিক্স ডাবলছ ৰাউণ্ড অৱ থাৰ্টি টুত টাইৱানৰ যুটী শু য়া চিং আৰু চেন চেং কোৱানক ৮-২১, ২১-১৯, ২১-১৭ ৰ ব্যৱধানত পৰাস্ত কৰে।

যোৱা বছৰ পেৰিচ অলিম্পিকৰ পাছত দীঘলীয়া সময়ৰ বিৰতিৰ অন্তত পি ভি সিন্ধুৱে আজি এই প্ৰতিযোগিতাত ভাগ ল'ব। সিন্ধুৱে মহিলাৰ ছিংগলছৰ ৰাউণ্ড অৱ থাৰ্টি টুৰ এখন খেলত টাইৱানৰ প্ৰতিদ্বন্দীৰ মুখামুখি হ'ব। ভাৰতৰ স্বাতিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱে মালয়েছিয়াৰ টী কাই ওন আৰু মেন ৰে চুংৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

খো খো বিশ্বকাপত নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত আজি সন্ধিয়া এখন খেলত ভাৰতৰ মহিলা দলে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইফালে ভাৰতৰ পুৰুষ দলে আজি নিশা ৮ বাজি ১৫ মিনিটত হবলগীয়া এখন খেলত ব্ৰাজিলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কালি নেপালৰ বিৰুদ্ধে খেলখনত বিজয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে।

০০০০০০০০০

মেলবৰ্ন পাৰ্কত অনুষ্ঠিত অষ্ট্ৰেলিয়ান অপেন টেনিছৰ পুৰুষৰ ডাবলছৰ প্ৰথমখন খেলত ভাৰতৰ ৰোহন বোপান্না আৰু কলম্বিয়াৰ সহযোগী নিক'লাছ বেৰিয়েণ্ট'ছে আজি স্পেনিছ যুটী পেড্ৰ' মাৰ্টিনেজ আৰু জৌমি মুনাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ ঋত্বিক চৌধৰী বল্লীপাল্লী, এন শ্ৰীৰাম বালাজী আৰু য়ুকি ভ্ৰাম্ব্ৰীয়ে পুৰুষৰ ডাবলছত নিজ নিজ সহযোগীৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত